# ইছলামিক ৰিপাব্লিক অফ ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

আগষ্ট 24, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 2023 চনৰ 24 আগষ্টত জোহান্সবাৰ্গত ৰিপাব্লিক অফ ইৰাণৰ ৰাষ্ট্ৰপতি মহামহিম ড০ চৈয়দ ইব্ৰাহিম ৰাইচিক 15 সংখ্যক BRICS সন্মিলনৰ সময়ত সাক্ষাৎ কৰে।

2. দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, সংযোগ, শক্তি আৰু সন্ত্ৰাসবাদ বিৰোধীকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ উপায়সন্দৰ্ভত আলোচনা কৰে৷ দুয়োপক্ষই চাবাহাৰ প্ৰকল্পকে ধৰি আন্তঃগাঁথনি সহযোগিতা দ্ৰুত গতিত আগবঢ়োৱাৰ ক্ষেত্ৰত সন্মত হয়। নেতাসকলে আফগানিস্তানকে ধৰি আঞ্চলিক উন্নয়নৰ ক্ষেত্ৰতো মত বিনিময় কৰে।

3. BRICS পৰিয়ালত যোগদান কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি ৰাইচিক অভিনন্দন জ্ঞাপন কৰে।

4. ৰাষ্ট্ৰপতি ৰাইছিয়ে চন্দ্ৰযান অভিযানৰ সফলতাৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জ্ঞাপন কৰে আৰু ইৰাণৰ BRICS সদস্যপদৰ প্ৰতি ভাৰতৰ সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

**জোহান্সবাৰ্গ**
**আগষ্ট 24, 2023**